**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-01-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

--------------------

১। নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্মবাৰ্ষিকী উপলক্ষে সমগ্ৰ দেশত পৰাক্ৰম দিৱস পালন কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনতো নেতাজীক স্মৰণৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

২। ভাৰতে পাকিস্তানৰ সৈতে বাণিজ্য পুনৰ আৰম্ভ কৰাৰ বাবে কোনো ধৰণৰ আলোচনা কৰা নাই বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে প্ৰকাশ কৰিছে।

৩। মহাৰাষ্ট্ৰৰ জলগাঁও জিলাৰ পছোৰাত কালি বিয়লি হোৱা ৰে’ল দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৩লৈ বৃদ্ধি পাইছে।

৪। সমাগত দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে।

আৰু

৫। ৰাষ্ট্ৰীয় স্কুল বেণ্ড প্ৰতিযোগিতাৰ ষষ্ঠ সংস্কৰণ কাইলৈৰ পৰা নতুন দিল্লীত অনুষ্ঠিত হ’ব।

০০০০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। এই উপলক্ষে সংস্কৃতি মন্ত্ৰালয়ে নেতাজীৰ জন্মস্থান ওড়িশাৰ কটকত তিনিদিনীয়া উদযাপন সমাৰোহৰ আয়োজন কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে এই সমাৰোহ উদ্বোধন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেতাজীৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। শ্ৰীমতী মুৰ্মুৱে পৰাক্ৰম উপলক্ষে দিয়া এটা বাৰ্তাত কয় যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আটাইতকৈ দৃঢ়তাসম্পন্ন আৰু প্ৰেৰণাদায়ী নেতাসকলৰ ভিতৰত নেতাজী অন্যতম। শ্ৰীমতী মুৰ্মুৱে কয় যে তেওঁৰ আহ্বান মৰ্মে দেশৰ লক্ষ লক্ষ লোক স্বাধীনতাৰ বাবে সংগ্ৰামত ভাগ লৈছিল। নেতাজীৰ অদমনীয় দৃঢ়তা আৰু স্বাধীনতা লাভৰ আকাংক্ষা তথা আজাদ হিন্দ ফৌজৰ শক্তিশালী নেতৃত্বই নতুন প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰিব বুলি তেওঁ মন্তব্য কৰে। উপ-ৰাষ্ট্ৰপতি  শ্ৰীধনখড়ে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয় যে দেশৰ স্বাধীনতা সংগ্ৰামত নেতাজীয়ে দৃষ্টান্তমূলক অৱদান আৰু আজাদ হিন্দ ফৌজৰ গঠনে তেওঁৰ অতুলনীয় সাহস আৰু দূৰদৰ্শী দৃষ্টিভংগীৰ নিদৰ্শন দাঙি ধৰে। তেওঁ কয় যে ভাৰতক ব্ৰিটিছ্ শাসকৰ কবলৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত এই মহান নেতাগৰাকীৰ সাহস, দেশপ্ৰেম আৰু কৰ্তব্যনিষ্ঠা তথা ত্যাগে অগণন ভাৰতীয়ক অনুপ্ৰাণিত কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশৰ স্বাধীনতা সংগ্ৰামত নেতাজীৰ অৱদান অভূতপূৰ্ব বুলি মন্তব্য কৰিছে। নেতাজীৰ জীৱনে সাহস আৰু ত্যাগক প্ৰতিফলিত কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে নেতাগৰাকীৰ দূৰদৰ্শিতাই তেওঁৰ সপোনৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ ক্ষেত্ৰত দেশবাসীক প্ৰেৰণা যোগাব।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত নেতাজীৰ জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত তেওঁৰ প্ৰতি পুষ্পাৰ্ঘ্য নিবেদন কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলা, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু অন্য নেতাসকলো এই অনুষ্ঠানত উপস্থিত থাকে। প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতেও মত-বিনিময় কৰে।

০০০০০০

অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত আজি নেতাজীক স্মৰণৰ বাবে কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকীত নেতাগৰাকীক স্মৰণ কৰি দিয়া এটা বাৰ্তাত নেতাজীৰ জীৱন আৰু আদৰ্শই প্ৰতিগৰাকী ভাৰতীয়ক ৰাষ্ট্ৰসেৱাত উৎসৰ্গিত হ'বলৈ অনুপ্ৰাণিত কৰে বুলি মন্তব্য কৰে। জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে জাপানতে নেতাজীয়ে আজাদ-হিন্দ-ফৌজৰ বীজ ৰোপণ কৰিছিল। ব্ৰিটিছ শাসকৰ দমনকাৰী নীতিৰ সাহসেৰে প্ৰত্যুত্তৰ দিয়া নেতাজীৰ বীৰত্বক চিৰদিন ভাৰতবাসীয়ে স্মৰণ কৰিব বুলি তেওঁ উল্লেখ কৰে। জাপানত থকা ভাৰতীয় দুতাবাসত নেতাজীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে আয়োজিত এটা অনুষ্ঠানতো তেওঁ অংশ লয়।

ত্ৰিপুৰাত আজি নেতাজীৰ জয়ন্তী উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণে নেতাগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। ৰাজ্যখনৰ ৰাজধানী আগৰতলাত আজি নেতাজী সুভাষ বিদ্যানিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অন্যান্য বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এটা শোভাযাত্ৰা উলিয়ায়। উল্লেখযোগ্য যে ১৯৫১ চনৰে পৰা এই বিদ্যালয়সমূহে নেতাজীৰ জয়ন্তী পালন কৰি আহিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ মানিক সাহাই আজি নেতাজীৰ জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশ লৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ অৱদানৰ কথা স্মৰণ কৰে। ড০ সাহাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰ ক্ষমতালৈ অহাৰ পাছত নেতাজীৰ প্ৰতি নজিৰবিহীনভাৱে শ্ৰদ্ধা প্ৰদৰ্শন কৰা হৈছে। দেশবাসী নেতাজীৰ আদৰ্শৰে এতিয়াও পৰিচালিত হয় বুলি তেওঁ মন্তব্য কৰে। আজি ত্ৰিপুৰাত এই শোভাযাত্ৰাত নিচামুক্ত ত্ৰিপুৰা মানসিক স্বাস্থ্য আৰু যোগাভ্যাসত গুৰুত্ব আৰোপ কৰি প্ৰতীকপট প্ৰদৰ্শন কৰা হয়। ৰাজ্যখনৰ ৰাজ্যপাল ইন্দ্ৰসেনা ৰেড্ডী নাল্লুৰেও আজি নেতাজীৰ জন্মবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধা নিবেদন কৰি দিয়া ভাষণত নতুন প্ৰজন্মক নেতাজীৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়।

০০০০০০

ভাৰতে পাকিস্তানৰ সৈতে বাণিজ্য পুনৰ আৰম্ভ কৰাৰ বাবে কোনো ধৰণৰ আলোচনা কৰা নাই বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। তেওঁ কয় যে পাকিস্তানৰ প্ৰশাসনেহে ২০১৯ চনত ভাৰতৰ সৈতে বাণিজ্যিক সম্পৰ্ক বন্ধ কৰাৰ সিদ্ধান্ত লৈছিল। কালি ৱাশ্বিংটন ডিচিত সংবাদ মাধ্যমৰ আগত ড০ জয়শংকৰে কয় যে ভাৰতে দীৰ্ঘদিন ধৰি পাকিস্তানক অগ্ৰাধিকাৰপ্ৰাপ্ত ৰাষ্ট্ৰৰ মৰ্যাদা দি আহিছে যদিও পাকিস্তানে সেই মৰ্যাদা ৰক্ষা নকৰিলে। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত শক্তিশালী পাৰস্পৰিক সম্পৰ্কৰ কথা উল্লেখ কৰি ড০ জয়শংকৰে কয় যে দুয়োখন ৰাষ্ট্ৰই দ্বিপাক্ষিক অংশীদাৰিত্ব শক্তিশালী কৰাৰ বাবে পৰস্পৰৰ প্ৰতি আস্থা ৰাখি আহিছে। দুয়োখন ৰাষ্ট্ৰ বিশ্বৰ হিতৰ ভাৱনাৰে দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী কৰাৰ লগতে ৰাষ্ট্ৰীয় হিতৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ প্ৰকাশ কৰে। ড০ জয়শংকৰে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰসহ বিদেশত অবৈধভাৱে বাস কৰা ভাৰতীয়সকলৰ ন্যায়সংগত প্ৰত্যাৱৰ্তন সন্দৰ্ভত ভাৰতৰ স্থিতি স্পষ্ট কৰে। তেওঁ কয় যে ভাৰতে বৈধ আহ-যাহৰ প্ৰতি সমৰ্থন আগবঢ়ায় আৰু দক্ষ তথা প্ৰতিভাবান ভাৰতীয়সকলে বিশ্ব পৰ্যায়ত মহান সুযোগ লাভ কৰাৰ পোষকতা কৰে। ভাৰতে অবৈধ প্ৰব্ৰজনৰ বিৰোধিতা কৰে বুলি উল্লেখ কৰি ড০ জয়শংকৰে কয় যে এনে কাৰ্যই দেশৰ ভাবমূৰ্তি ম্লান কৰে আৰু অবৈধ গতিবিধিৰ প্ৰসাৰত সহায় কৰে। ছানফ্ৰান্সিস্কোত থকা ভাৰতীয় বাণিজ্যিক দূতাবাসৰ ওপৰত হোৱা আক্ৰমণ গুৰুতৰ বিষয় বুলি অভিহিত কৰি ড০ জয়শংকৰে কয় যে দেশে এই ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰ জবাবদিহি হোৱাটো বিচাৰে। ভাৰতে এই ঘটনাৰ সৈতে জড়িতসকলক দোষী সাব্যস্ত কৰাটো বিচাৰে বুলিও তেওঁ মন্তব্য কৰে।

বাংলাদেশৰ স্থিতি সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ দেশখনৰ সাম্প্ৰতিক স্থিতি সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৱনিযুক্ত বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ' আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা মাইক ৱাল্টজৰ সৈতে চমু আলোচনা কৰিছে।

০০০০০০

মহাৰাষ্ট্ৰৰ জলগাঁও জিলাৰ পছোৰাত কালি বিয়লি হোৱা ৰে'ল দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৩লৈ বৃদ্ধি পাইছে। ইয়াৰে ১০জনক চিনাক্ত কৰা হৈছে। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰে আজি এই বিষয়ে প্ৰকাশ কৰে। সাংবাদিকৰ আগত শ্ৰীপাৱাৰে কয় যে পুস্পক এক্সপ্ৰেছত জুই লগা বুলি উৰা বাতৰি বিয়পাৰ পাছত চেইন টানি ৰে'লখনৰ একাংশ যাত্ৰী নামি যোৱাৰ সময়তে কৰ্ণাটক এক্সপ্ৰেছ নামৰ অন্য এখন ৰে'লগাড়ীয়ে যাত্ৰীসকলক মহতিয়াই নিয়াৰ ফলত এই অঘটন ঘটে। তেওঁ কয় যে ৰাজ্যখনৰ জলসম্পদ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী গিৰিশ মহাজন, পানী যোগান আৰু অনাময়

মন্ত্ৰী গোলাম ৰাও পাটিলৰ লগতে প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰিছে। শ্ৰীপাৱাৰে কয় যে দুৰ্ঘটনা সংঘটিত ৰে'লপথেৰে ৰে'ল সেৱা অব্যাহত ৰখা হৈছে আৰু যানবাহনৰ যাত্ৰাও সম্প্ৰতি নিয়মীয়া হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই ৰে'ল দুৰ্ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে লগতে সামাজিক মাধ্যমযোগে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে ৰে'ল দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ শোক প্ৰকাশ কৰিছে আৰু আহত সকলৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনাইছে। কৰ্তৃপক্ষসমূহে প্ৰভাৱিত লোকসকলক সম্ভাব্য সকলোধৰণৰ সহায় আগবঢ়োৱা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০০

সমাগত দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছ দলে ভোটদাতাক নিজৰ দলীয় প্ৰাৰ্থীৰ প্ৰতি আকৰ্ষণ কৰিবলৈ ৰোড শ্ব', ৰাজহুৱা সভা আৰু জনসাধাৰণৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলাই আছে।

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কিৰাডী, কেৰলবাগ আৰু জনকপুৰী আসনকেইখনৰ বাবে আজি বিয়লিৰ পৰা দলীয় প্ৰাৰ্থীৰ প্ৰচাৰ চলাবলৈ ৰাজহুৱা সভাত অংশ ল'ব। একেদৰে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে পালম আৰু দিল্লী কেণ্টেইনমেণ্ট আসনৰ বাবে প্ৰচাৰ চলাব। মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱেও মাদিপুৰ আৰু ৰোহিণী আসন দুখনৰ বাবে আজি সন্ধিয়া প্ৰচাৰ কাৰ্যত ভাগ ল'ব।

আম আদমী পাৰ্টীৰ নেতা সঞ্জয় সিঙে মতিনগৰ আৰু মডেল বিধানসভা আসনখনৰ বাবে আজি সন্ধিয়া প্ৰচাৰ চলাব। আম আদমী পাৰ্টীৰ নেতা তথা পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে কস্তুৰবা নগৰ আসনখনৰ বাবে মেহৰুলীত ৰোড শ্ব' কৰাৰ লগতে শ্বাট্টাৰপুৰ আসনখনৰ বাবে প্ৰচাৰ কাৰ্যত ভাগ ল'ব।

জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মুস্তাফাবাদ আসনখনৰ বাবে দলীয় প্ৰাৰ্থী আলী মেহদিৰ হৈ প্ৰচাৰ চলাব। দিল্লীৰ কংগ্ৰেছ সভাপতি দেৱেন্দ্ৰ যাদৱ আৰু অন্যান্য জ্যেষ্ঠ নেতাসকলে দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে আজি দলৰ শীৰ্ষ গীত মুকলি কৰিব।

০০০০০০

ৰাষ্ট্ৰীয় স্কুল বেণ্ড প্ৰতিযোগিতাৰ ষষ্ঠ সংস্কৰণৰ গ্ৰেণ্ড ফিনালে কাইলৈৰ পৰা ২৫ জানুৱাৰীলৈ নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ নেশ্যনেল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সহযোগত শিক্ষা মন্ত্ৰালয়ে গ্ৰেণ্ড ফিনালেৰ আয়োজন কৰিছে। এইবেলি ১৩খন ৰাজ্যৰ ১৬টা দলক ৰাজ্যিক আৰু মাণ্ডলিক ভিত্তিত আয়োজিত প্ৰতিযোগিতাৰ পৰা ফিনালেলৈ বাছনি কৰা হৈছে। প্ৰথমবাৰৰ বাবে তিনিখন চৰকাৰী বিদ্যালয়ৰ বেণ্ড দলে সমাগত গণৰাজ্য দিৱসৰ পেৰেডত ভাগ লোৱাৰ সুবিধা লাভ কৰিছে।

০০০০০০

সমাপ্ত